# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2025
**Time:** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*

- - - - - - - - - - - - - - -

১। অসম বিধানসভাত বিধায়ক মনোৰঞ্জন তালুকদাৰৰ বিতৰ্কিত অডিঅ' বাৰ্তা সন্দৰ্ভত তদন্তৰ দাবী। দুৰ্নীতিৰ বিৰুদ্ধে চৰকাৰৰ অভিযান সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সদনত বিবৃতি।

২। উত্তৰ গুৱাহাটীৰ ৰং মহললৈ গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধীতা কৰি আজি বাৰ এছ'চিয়েছনৰ অৱস্থান ধৰ্মঘট।

৩। দৰং জিলাৰ ধুলাৰ সমীপত যাত্ৰীবাহী বাছ আৰু মালবাহী ডি আই গাড়ীৰ মাজৰ সংঘৰ্ষত দুজন যাত্ৰী নিহত আৰু ৮ জন আহত।

৪। ৰাজ্যৰ বিভিন্ন স্থানত আজি বিশ্ব যক্ষ্মা দিৱস উপলক্ষে  সজাগতামূলক কাৰ্যসূচীৰ আয়োজন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহী কেপিটেলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি।

০০০০০

অসম বিধানসভাত আজি বিজেপিৰ মানৱ ডেকাই চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে ৰাজ্যত চলি থকা দুৰ্নীতি, চিণ্ডিকেট আৰু ৰেট হোল মাইনিঙৰ সন্দৰ্ভত যোৱা ৫ মাৰ্চত সোধা প্ৰশ্ন আৰু পৰৱৰ্তীকালত সামাজিক মাধ্যমত ভাইৰেল হোৱা বিধায়ক তালুকদাৰৰ বুলি অভিযোগ কৰা এটা অডিঅ' বাৰ্তাৰ প্ৰসংগ উত্থাপন কৰে। বিধায়ক মানৱ ডেকাই এই অডিঅ' বাৰ্তা সন্দৰ্ভত তদন্ত হ'ব লাগে বুলি দাবী জনায়। বিধায়ক মনোৰঞ্জন তালুকদাৰে অডিঅ' বাৰ্তাৰ সত্যাসত্য নিৰূপণৰ বাবে তেওঁ প্ৰয়োজন সাপেক্ষে আদালতৰ দ্বাৰস্থ হ'ব বুলি প্ৰকাশ কৰে। বিষয়টোত হস্তক্ষেপ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে তেওঁৰ কাৰ্যকালত ২৪ জন প্ৰথম শ্ৰেণীৰ উচ্চ পৰ্যায়ৰ বিষয়া, ৮০ জন দ্বিতীয় শ্ৰেণীৰ বিষয়াকে ধৰি মুঠ ৩৪৯ গৰাকী চৰকাৰী বিষয়াক দুৰ্নীতিৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছে। ৰেট হোল মাইনিং সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কয়লাৰ গোচৰত এজনো লোকক গ্ৰেপ্তাৰ নকৰাৰ বিপৰীতে বিজেপি চৰকাৰে ৩ লাখ মেট্ৰিক টনতকৈও অধিক কয়লা জব্দ কৰাৰ লগতে ২২৮ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্য চৰকাৰৰ মাদক দ্ৰব্য বিৰোধী অভিযানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ২০১১ৰ পৰা ২০১৫ চনলৈ ৰাজ্যত ৪০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছিল। আনহাতে ২০২১ৰ পৰা বৰ্তমানলৈকে ২ হাজাৰ ৬০০ কোটি টকা মূল্যৰ মাদক দ্ৰব্য জব্দ কৰা হৈছে আৰু এই সংক্ৰান্তত ১৯ হাজাৰ লোকক আটক কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

উপাধ্যক্ষ নোমল মমিন বিধানসভাত প্ৰৱেশ কৰাৰ সময়ত তেওঁৰ গাত কংগ্ৰেছৰ বিধায়ক নুৰুল হুদাই হাত দিয়া বুলি বিজেপিৰ কেইগৰাকীমান বিধায়কে বিধানসভাত অভিযোগ উত্থাপন কৰাক লৈ আজি

সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ কাম-কাজ ১০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়া আৰু আন কেইবাগৰাকীও কংগ্ৰেছ বিধায়কে অভিযোগৰ সত্যাসত্য বিচাৰ কৰিবলৈ বিধানসভা চৌহদৰ চি চি টিভি ফুটেজ পৰীক্ষা কৰিবলৈ অধ্যক্ষক অনুৰোধ জনায়। বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষ শ্ৰীদৈমাৰীক এজাহাৰ দাখিল কৰিবলৈ অনুৰোধ জনায়। ইপিনে, বিধানসভাত শুকুৰবাৰে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে কৰা অশোভনীয় আচৰণৰ প্ৰতিবাদত কংগ্ৰেছ দলৰ বিধায়কসকলে ক'লা পোচাক পৰিধান কৰি বিধানসভাত প্ৰবেশ কৰে। একেটা বিষয়ক লৈ এ আই ইউ ডি এফৰ বিধায়কসকলে সদনত হেঙাৰ-জপনা লৈ প্ৰৱেশ কৰে। সদনত বিষয়টো সম্পৰ্কত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে সেইদিনা তেওঁ সদনত উপস্থিত নথকাৰ বাবেহে এনে ঘটনা ঘটিবলৈ পালে। ৰূপজ্যোতি কুৰ্মীক সংযত হ'বলৈ তেওঁ পুনৰবাৰ আহ্বান জনায় আৰু বিষয়টো ইমানতে সমাপ্ত কৰিবলৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক আহ্বান জনায়।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উত্তৰ গুৱাহাটীৰ ৰং মহললৈ স্থানান্তৰৰ বিৰোধিতা কৰি আজি উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েছনে ন্যায়ালয়ৰ পুৰণি ভৱনৰ সন্মুখত অৱস্থান ধৰ্মঘট পালন কৰে। অলপতে অনুষ্ঠিত সাধাৰণ সভাৰ সিদ্ধান্ত মৰ্মে এছ'চিয়েছনৰ ভালে সংখ্যক সদস্যই আজি দিনৰ ১২ বজাৰ পৰা ২ বজালৈ এই সিদ্ধান্তৰ প্ৰতিবাদত ধ্বনি দি অৱস্থান ধৰ্মঘট পালন কৰে। বাৰ এছ'চিয়েছনৰ সভাপতি তথা জ্যেষ্ঠ অধিবক্তা কমল নয়ন চৌধুৰীয়ে কয়, যে অধিবক্তা সমাজক আস্থা আৰু বিশ্বাসত ন'লৈ উচ্চ ন্যায়ালয় স্থানান্তৰৰ সিদ্ধান্ত একপক্ষীয়ভাৱে লোৱা হৈছে। ২০১৪ চনত প্ৰায় ১০০ কোটি টকা ব্যয়ৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱন নিৰ্মাণ কৰা হৈছিল আৰু নতুন আৰু পুৰণি ভৱনৰ মাজত এটা সুৰংগ পথো নিৰ্মাণ কৰা হৈছিল। এনে স্থলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ যুক্তি-যুক্ততা নাই বুলি বাৰ এছ'চিয়েছনে যুক্তি দৰ্শায়।

**(বাইট ঃ কমল নয়ন চৌধুৰী)**

ooooo

দৰং জিলাৰ ধুলা আৰু খাৰুপেটিয়াৰ মাজত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি তেজপুৰৰ পৰা গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাছক বিপৰীত দিশৰ পৰা যোৱা এখন তীব্ৰবেগী ডি আই গাড়ীয়ে খুন্দিওৱাৰ ফলতে দুজন যাত্ৰী নিহত আৰু ভালে কেইগৰাকী যাত্ৰী আহত হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে AS-20-2289 নম্বৰৰ পৰিবহন নিগমৰ অধীনত চলাচল কৰা এই বাছখনত মুঠ ৩৫ জন যাত্ৰী আছিল আৰু বাছখনত বিপৰীত দিশৰ পৰা অহা তীব্ৰবেগী ডি আই গাড়ীখনে সোঁ-ফালৰ মাজ অংশত খুন্দিওৱাৰ ফলত তেজপুৰৰ দ-পৰ্বতীয়াৰ নাৰায়ণ বৰা আৰু তেজপুৰৰ গাৰোৱান পট্টীৰ প্ৰদীপ দে নামৰ যাত্ৰী দুজন থিতাতে নিহত হয়। এই দুৰ্ঘটনাত মানৱী বাটচা, কৃষ্ণা দেৱী, অম্লান পাল, পুৰবী দে, আবেদন আলী, বেদাংগ হাজৰিকা, মধুস্মিতা শইকীয়া আৰু অনুপম দাস নামৰ আন ৮জন যাত্ৰী গুৰুতৰভাৱে আহত হয়। তেওঁলোকক মঙলদৈ অসামৰিক চিকিৎসালয়লৈ অনা হয় আৰু ইয়াৰে তিনিজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল লৈ অনা হয়। দুৰ্ঘটনা সংঘটিত কৰাৰ পাছতে ডি আই বাহনখন পলায়ন কৰে আৰু বাতৰি লিখাৰ পৰলৈকে এই বাহনখনৰ সম্ভেদ লাভ কৰিব পৰা হোৱা নাই।

ooooo

কেন্দ্ৰীয় চৰকাৰে সাংসদ আৰু প্ৰাক্তন সাংসদসকলৰ দৰমহা, দৈনিকভাট্টা আৰু পেন্সন বৃদ্ধিৰ জাননী জাৰি কৰিছে। এই অনুসৰি সাংসদসকলৰ মাহিলী দৰমহা এতিয়াৰ এক লাখ টকাৰ পৰা এক লাখ ২৪ হাজাৰ

টকালৈ বৃদ্ধি কৰা হ'ব। একেদৰে দৈনিক ভাট্টা বৰ্তমানৰ দুহেজাৰৰ পৰা দুহেজাৰ ৫০০ টকালৈ বৃদ্ধি কৰা হ'ব। প্ৰাক্তন সাংসদসকলৰ মাহিলি পেঞ্চন ২৫ হাজাৰ টকাৰ পৰা ৩১ হাজাৰ টকালৈ বৃদ্ধি কৰা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। এই বৃদ্ধি ২০২৩ বৰ্ষৰ এক এপ্ৰিলৰ পৰা কাৰ্যকৰী কৰা হ'ব।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি বিশ্ব যক্ষ্মা দিৱস উপলক্ষে সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰা হয়। **পশ্চিম কাৰ্বি আংলং** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি হামৰেণৰ জিলা যক্ষ্মা কেন্দ্ৰত এই দিৱস পালন কৰা হয়। হামৰেণ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ আলতাফ হুছেইনৰ সভাপতিত্বত আয়োজিত এই কাৰ্যসূচীত যক্ষ্মা ৰোগৰ লক্ষণ তথা এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। **চৰাইদেউ** জিলাৰ সোণাৰিত আজি বিশ্ব যক্ষ্মা দিৱস উপলক্ষে নাফুক চাহ বাগিচাত এখন সভাৰ আয়োজন কৰা হয়। একেদৰে **যোৰহাট** জিলাৰ যক্ষ্মা কেন্দ্ৰই তিনিদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। জিলাখনৰ যক্ষ্মা ৰুগী চিনাক্ত কৰা মুঠ ৪৬টা পঞ্চায়তৰ ভিতৰত বৰ্তমান ৩৯টাই যক্ষ্মামুক্ত হৈছে বুলি জিলা যক্ষ্মা ৰোগ বিষয়া ডাঃ ভক্তিময় ভট্টাচাৰ্যই উল্লেখ কৰে। এই উপলক্ষে আজি যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত অসম মহোৎসৱত নিক্ষয় মিত্ৰসকলক নুমলীগড় তেল শোধনাগাৰে যোগান ধৰা খাদ্যৰ টোপোলা বিতৰণ কৰা হয়। **গোলাঘাট** জিলাতো বিশ্ব যক্ষ্মা দিৱস উপলক্ষে সজাগতা সভা অনুষ্ঠিত হয়। জিলাখনৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ পৰা গোলাঘাট নগৰ হৈ জিলা যক্ষ্মা চিকিৎসালয়লৈ এটা সমদল উলিওৱা হয়। সজাগতা সভাত জিলাখনৰ এহেজাৰ ৬৮৩ জন যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্যৰ টোপোলা আগবঢ়োৱা হয়। **ধেমাজি** জিলা স্বাস্থ্য বিভাগ আৰু জিলা যক্ষ্মা নিয়ন্ত্ৰণ কোষে স্বাস্থ্য ভৱনত যক্ষ্মা দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত যক্ষ্মামুক্ত পঞ্চায়ত হিচাপে ঘোষিত জিলাখনৰ ২৯টা পঞ্চায়তক বিশেষভাৱে পুৰস্কৃত কৰা হয়। **কামৰূপ** জিলাৰ নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত জিলাভিত্তিত বিশ্ব যক্ষ্মা দিৱস পালন কৰা হয়। অনুষ্ঠানত যক্ষ্মা ৰোগৰ পৰা আৰোগ্য লাভ কৰা কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। এইক্ষেত্ৰত বিশেষ সেৱা আগবঢ়োৱা মাৰিয়ম বেগম নামৰ আশাকৰ্মীগৰাকীক সম্বৰ্ধনা জনোৱা হয়। **বঙাইগাঁও** জিলাত আজি এই দিৱস উপলক্ষে স্বাস্থ্য বিভাগে আশাকৰ্মী আৰু স্বাস্থ্যকৰ্মীৰ সহযোগত এটা সমদল উলিওৱাৰ উপৰি সজাগতা সভাৰ আয়োজন কৰে। উল্লেখযোগ্য যে জিলাখনত শেহতীয়াকৈ ৰূপায়ণ কৰা এশদিনীয়া যক্ষ্মা নিৰ্মূলকৰণ অভিযানত সম্ভাব্য ৰোগীসকলক চিনাক্ত কৰি বিনামূলীয়া ঔষধ যোগান ধৰাৰ লগতে প্ৰতিমাহে এহেজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হয়। **কোকৰাঝাৰ** জিলাতো আজি এই উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ স্বাস্থ্যকৰ্মী আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কোকৰাঝাৰ জিলাৰ কৰ্মচাৰীসকলে সজাগতামূলক এটা সমদল উলিয়ায়। **ধুবুৰী** জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত এই দিৱস উপলক্ষে এটা সজাগতামূলক মটৰচাইকেল ৰেলী উলিওৱা হয়। ইয়াৰ জৰিয়তে ধুবুৰী চহৰৰ বিভিন্ন অংশত জনসাধাৰণক যক্ষ্মাৰ দৰে ৰোগৰ পৰা কেনেধৰণে আঁতৰি থাকিব পাৰি সেই সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

০০০০০

দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ পদক্ষেপৰ অংশ হিচাপে ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণ মৰ্মে দেশখন ভ্ৰমণলৈ যোৱা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ছিংগাপুৰ সামুদ্ৰিক সপ্তাহৰ উদ্বোধনী অনুষ্ঠানত অংশ লয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী শ্ৰী সোণোৱালে এই অনুষ্ঠানত অংশ লৈ ভাৰতৰ সৈতে দেশখনৰ ক্ৰমবৰ্ধমান সামুদ্ৰিক সম্পৰ্কৰ সন্দৰ্ভত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সমাৰেশত দেশক প্ৰতিনিধিত্ব কৰাটো সন্মানৰ বিষয় বুলি মত প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতৰ প্ৰতি

বিশ্বব্যাপী সহযোগিতা বৃদ্ধি আৰু সামুদ্ৰিক বিনিয়োগৰ প্ৰাণ কেন্দ্ৰ হিচাপে দেশখনক গঢ়ি তোলাৰ বাবে গুৰুত্ব আৰোপ কৰা হৈছে। শ্ৰী সোণোৱালে আজি এই বৈঠকৰ সময়ত ছিংগাপুৰৰ কেইবাগৰাকীও মন্ত্ৰী আৰু ফ্ৰান্সৰ মন্ত্ৰীৰ সৈতেও বৈঠকত মিলিত হয়। দেশখনৰ পৰিবহন আৰু আইন দপ্তৰৰ ৰাজ্য মন্ত্ৰী মুৰুলী পিল্লাইৰ সৈতে হোৱা আলোচনাত তেওঁ দুয়ো দেশৰ দ্বিপাক্ষিক সহযোগিতা বৃদ্ধিৰ বিভিন্ন বিষয় উত্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে দেশখনৰ জনশক্তি তথা বাণিজ্য আৰু উদ্যোগ দপ্তৰৰ দ্বিতীয় মন্ত্ৰী ডাঃ টান চি লেঙক সাক্ষাৎ কৰে। সাক্ষাতকালত শ্ৰী সোণোৱালে ভাৰতৰ সৈতে পাৰস্পৰিক সামুদ্ৰিক বাণিজ্য তথা জাহাজ পৰিবহণৰ অংশীদাৰিত্ব ত্বৰান্বিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ ফ্ৰানেসৰ পৰিবহন মন্ত্ৰী ফিলিপ টেবাৰ'তৰ সৈতেও বৈঠকত মিলিত হয়। এই বৈঠকসমূহ ফলপ্ৰসূ হ'ব বুলি শ্ৰী সোণোৱালে সামাজিক মাধ্যমযোগে আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে কালি কেন্দ্ৰীয় মন্ত্ৰীগৰাকী ছিংগাপুৰৰ প্ৰবাসী অসমীয়া তথা ভাৰতীয়সকলৰ অন্তৰংগ মত বিনিময় অনুষ্ঠানত মিলিত হৈছিল।

ooooo

তদন্তকাৰী সংস্থা আৰু ন্যায় পালিকাক সহায়ৰ লক্ষ্যৰে অসম চৰকাৰে গঠন কৰা প্ৰচিকিউচন সঞ্চালকালয়ৰ প্ৰথমগৰাকী সঞ্চালক হিচাপে আজি মাখন ফুকনে দায়িত্বভাৰ গ্ৰহণ কৰে। গুৱাহাটীৰ অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত শ্ৰী ফুকনে দায়িত্বভাৰ গ্ৰহণ কৰে। সঞ্চালকালয়ৰ উপ-সঞ্চালক হিচাপে অধিবক্তা ধনেশ দাস, শান্তনু ভট্টাচাৰ্য আৰু মানস হালৈয়েও আজি দায়িত্বভাৰ গ্ৰহণ কৰিছে। এই অনুষ্ঠানত আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং, আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে আজিও দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ব্যাপক প্ৰচাৰ চলায়। বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে পৰিষদৰ অন্তৰ্গত দুখন জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিত প্ৰচাৰ তীব্ৰ কৰি তুলিছে।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ মুখ্য আহ্বায়ক তথা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া টংকেশ্বৰ ৰাভাই আজি পৰিষদৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৱৰ্তী এলেকাসমূহত প্ৰচাৰ চলায়। তেওঁ অঞ্চলটোৰ ভোটদাতাসকলৰ সৈতে মত বিনিময় কৰে। অসম প্ৰদেশ তৃণমূল কংগ্ৰেছৰ উপসভাপতি দুলু আহমেদে আজি ছয়গাঁৱৰ বীৰপাৰাত নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপি আৰু কংগ্ৰেছ দলেও আজি সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়। গোৱালপাৰা জিলাৰ নিৰ্বাচন হ'বলগীয়া ১৯ টা পৰিষদীয় সমষ্টিৰ বাবে আজি শাসক-বিৰোধী দলে প্ৰচাৰ অভিযানত অংশ লয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আজি কুশধোৱা দৰংগিৰী পৰিষদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী পৰমা ৰভাৰা হৈ প্ৰচাৰ চলায়। একেদৰে ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ আহ্বায়ক টংকেশ্বৰ ৰাভাই আজি এন ডি এ মিত্ৰ জোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ প্ৰশ্নকাকত ফাদিলৰ ঘটনাক লৈ আজি গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছ সমিতিৰ সদস্যসকলে বামুণীমৈদামৰ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰদেশ কংগ্ৰেছৰ নেতা ৰিপুণ বৰাৰ নেতৃত্বত কংগ্ৰেছ কৰ্মীসকলে বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈনৰ পদত্যাগৰ দাবী কৰে। জিলা কংগ্ৰেছে লগতে সমগ্ৰ ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবীৰে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পৰীক্ষা কেন্দ্ৰত সংঘটিত অনিয়মৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ইউ এছ টি এমৰ স্বত্বাধিকাৰী মহবুবুল হকৰ জামিন মঞ্জুৰ কৰিছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে অভিযুক্ত হকৰ জামিন চৰ্ত সাপেক্ষে মঞ্জুৰ কৰে। ন্যায়ালয়ে অভিযুক্তগৰাকীয়ে তদন্তত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে বিচৰা মাত্ৰেই তদন্তকাৰী বিষয়াৰ ওচৰত হাজিৰ হ'ব লাগিব বুলি চৰ্ত দিয়ে। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰত অনিয়মৰ অভিযোগত মহবুবুল হকৰ বিৰুদ্ধে প্ৰথমে পাথাৰকান্দি থানাত দুটা গোচৰ ৰুজু হৈছিল। ইয়াৰ পাছত তেওঁৰ বিৰুদ্ধে বৰপেটা, কোকৰাঝাৰ, গোসাইগাঁও আৰু ঢেকীয়াজুলি থানাত গোচৰ ৰুজু হয়। শেহতীয়াকৈ ঢেকীয়াজুলি থানাৰ গোচৰত গ্ৰেপ্তাৰ কৰি তেওঁক কাৰাবন্দী কৰি ৰখা হৈছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ডেলহী কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলিব। বিশাখাপট্টনমত খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

অহা ২৬ আৰু ৩০ মাৰ্চত গুৱাহাটীৰ বৰ্ষাপাৰাস্থিত অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট খেল দুখনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। এই সন্দৰ্ভত আজি অসম ক্ৰিকেট সন্থা আৰু যান-বাহন শাখাৰ মহানগৰ জিলা আৰক্ষী আয়ুক্তই এখন সংবাদমেলযোগে কেইবাটাও বিশেষ নিৰ্দেশনা জাৰি কৰিছে। তেওঁলোকে প্ৰকাশ কৰা অনুসৰি এইবাৰ দৰ্শকসকলে মুঠ ছখন প্ৰৱেশদ্বাৰেৰে ষ্টেডিয়ামত প্ৰৱেশ কৰিব পাৰিব। প্ৰৱেশদ্বাৰ বিয়লি চাৰে ৪ বজাত মুকলি কৰা হ'ব। দৰ্শকে মোবাইল ফোন আৰু মানিবেগৰ বাহিৰে আন কোনো সামগ্ৰী ষ্টেডিয়ামৰ ভিতৰলৈ নিব নোৱাৰিব। দুয়োখন খেলতে দৰ্শকৰ বাবে অসম ক্ৰিকেট সন্থাই বিনামূলীয়াকৈ খোৱাপানী যোগান ধৰিব বুলিও তেওঁলোকে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ২৬ মাৰ্চত হ'বলগীয়া খেলখনৰ বাবে ৰাজস্থান ৰয়েলছ আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে।

০০০০০

সমাপ্ত